# বাটালৱী আৰু চকৰালৱীৰ প্ৰত্যাহ্বানৰ ৰিভিউ

**লিখক**
হজৰত মির্জা গোলাম আহমদ
(প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ))

নাম কিতাপ ঃ বাটালৰী আৰু চক্ৰালৰীৰ প্ৰত্যাহ্বানৰ ৰিভিউ
অনুবাদক ঃ মজিবৰ ৰহমান মুৰব্বী ছিলছিলা
(ইনচাৰ্জ অসমীয়া ডেস্ক)
মূল কিতাপ ঃ ৰিভিউ বৰমুবাহিছা চক্ৰালৰী ওৰা বাটালৰী
প্ৰকাশ ঃ নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান
প্ৰথম প্ৰকাশ ঃ ২০২১, ১০০০ কপি,
মুদ্ৰণে ঃ ফজলে ওমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান,
জিলা গুৰদাছপুৰ,১৪৩৫১৬ (পঞ্জাৱ)

---

**Name book : Batalavi aru Chakralavir Prattahabbanr Review**
**Translated by : Mozibar Rahman Murabbi Silsila (Incharge Assamese Desk)**
**Original Book : Review Barmubahisa Chakralwi wa Batalwi**
**Published by : Nazarat Nashr-O-Ishaat Qadian**
**First Published : 2021, 1000 Copies**
**Printed at : Fazle Umar Printing Press Qadian Dist: Gurdaspur 143516 (Punjab)**

# প্ৰকাশকৰ কথা

হজৰত মছীহ মাওউদ (আঃ)ৰ লিখিত পুস্তক ৰিভিউ বৰমুবাহিছা চক্ৰালৰী ওৰা বাটালৰী কিতাপখনৰ উৰ্দুৰ পৰা অসমীয়ালৈ অনুবাদ আৰু কমপোজিং কৰিছে মাননীয় মাজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্কে)। **Review** কৰিছে মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা (সভাপতি **Review** কমিটি অসম) ,মাননীয় আব্দুৰ ৰহিম মাষ্টাৰ চাহাব। মাননীয় ৰহিম বাদশ্বা চাহাব মুবাল্লিগ ছিলছিলা। মাননীয় হুছেইন মহম্মদ আজিজ চাহাব (জিলাই আমিৰ গোৱালপাৰা) আল্লাহ তা'লা কিতাপখন প্ৰস্তুত কৰি উলিওৱাতে সহায় সহযোগীতা আগবঢ়োৱা সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমিন-

**নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান**



# হজৰত মির্জা গোলাম আহমদ কাদিয়ানী (আঃ)

হজৰত মির্জা গোলাম আহমদ কাদিয়ানী মছীহ ও মাহদী মাওউদ (আঃ) ১৮৩৫ চনত ভাৰতবৰ্ষৰ এখন গাওঁ কাদিয়ানত জন্ম গ্ৰহণ কৰে। সৰু কালৰে পৰা তেখেত (আঃ) উপাসনাত মগ্ন থাকিছে। কোৰাণ মজিদ আৰু অন্যান্য কিতাপসমূহ অধ্যয়ন কৰাত মগ্ন থাকিছে। ইছলাম সেই সময়ত চাৰিওফালৰ পৰা আক্ৰমণাত্মাক অৱস্থাত আছিল। ইছলামৰ সেই পৰিস্থিতি চাই তেখেত (আঃ)য়ে বৰ দুঃখ প্ৰকাশ কৰিছিল। ইছলামৰ ওপৰত কৰা আক্ৰমণ দূৰ কৰিবলৈ আৰু ইছলামৰ শিক্ষা পৃথিৱীৰ বুকুত বিস্তাৰ কৰিবলৈ তেখেত (আঃ) য়ে ৯০ খনৰো অধিক পুস্তক ৰচনা কৰিছে আৰু হাজাৰ হাজাৰ চিঠি-পত্ৰিকা লিখিছে,আৰু বহু ধৰ্মীয় যুক্তিসঙ্গত তৰ্ক-বিতৰ্ক কৰিছে। তেখেত (আঃ)য়ে কৈছে যে ইছলাম সেই জীৱিত ধৰ্ম যি মানৱ-জাতিৰ নিজৰ সত্তা স্ৰষ্টাৰ সৈতে সম্পৰ্ক গঢ়ি তুলাব

পাৰে,যাৰ অনুসৰণ কৰি মানৱ চৰিত্ৰ আৰু আধ্যাত্মিক মৰ্যাদা উন্নীত কৰিব পাৰে।

কম বয়সতে তেখেত (আঃ)য়ে দিব্য দৰ্শন কথোপকথনৰ মৰ্যাদা লাভ কৰিছে। ১৮৮৯ চনত তেখেত (আঃ)য়ে বয়াতৰ শৃঙ্খলা আৰম্ভ কৰে আৰু এক পৱিত্ৰ জমাতৰ বুনিয়াদ ৰাখে। শৃঙ্খলাবদ্ধতা কথোপকথনত প্ৰত্যেক দিন উন্নতি লাভ কৰিছে,আৰু তেখেত (আঃ)য়ে আল্লাহৰ আদেশানুযায়ী ঘোষণা কৰে যে তেখেত শেষ যুগৰ মুচলেহ (সংস্কাৰক)হয় যাৰ ভৱিষ্যতবাণী বিভিন্ন ধৰ্মৰ গ্ৰন্থত বিভিন্ন নামেৰে নামাকৰণ আছিল। তেখেত (আঃ)য়ে এয়াও দাবী কৰিছে যে তেখেত সেই মছীহ ও মাহদী হয় যাৰ অহাৰ ভৱিষ্যতবাণী আঁ-হজৰত (ছাঃ)য়ে কৰি গৈছিল। আহমদীয়া মুছলিম জমাত বৰ্তমান ২১২ ৰো অধিক ৰাষ্ট্ৰত বিস্তাৰ লাভ কৰিছে।

১৯০৮ চনত তেখেত (আঃ)ৰ মৃত্যুৰ পিছত কোৰাণ মজিদ আৰু আঁ-হজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী তেখেত (আঃ)ৰ মিচন পৰিপূৰ্ণ হোৱাৰ বাবে খলিফাৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত হয়। বৰ্তমান বিশ্বৰ ইমাম হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব আহমদীয়া মুছলিম জমাতৰ পঞ্চম খলিফা হয়।

بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

নাহমাদুহু ওৱা নুছাল্লি আলা ৰাছুলিহিল কৰীম

# মৌলবী আবুছঈদ মহম্মদ হুছেইন চাহাব বাটালৱী আৰু মৌলবী আব্দুল্লাহ চাহাব চক্ৰালৱীৰ প্ৰত্যাহ্বানত হজৰত মছীহ মাওউদ (আঃ)ৰ ৰিভিউ আৰু নিজৰ জামাতৰ কাৰণে এক উপদেশ

উভয় পক্ষৰ লিখনীৰ পৰা জানিব পৰা গ'ল নিম্ন লিখিত প্ৰত্যাহ্বান উত্থাপন হোৱাৰ কাৰণ এয়া আছিল যে, মৌলবী আব্দুল্লাহ চাহাব হাদীছবোৰ মাথোঁ অযথা হিচাপে গণ্য কৰে,আৰু এনেকুৱা শব্দ মুখত আনে যে, যি উল্লেখ কৰা বেয়া অভ্যাসৰ অন্তৰ্ভুক্ত, আৰু মৌলবী মহম্মদ হুছেইন চাহাব তাৰ মোকাবিলাত এই দলিল উত্থাপন কৰিছিল যে যদি হাদীছবোৰ এনেকুৱাই অযথা আৰু অলাভদায়ক আৰু অনিৰ্ভৰযোগ্য হয় তেন্তে বেছিৰ ভাগ উপাসনা আৰু ফিকা শাস্ত্ৰৰ মছলাসমূহ বাতিল হৈ যাব কাৰণ কোৰাণ কৰীমৰ বিস্তাৰিত, হাদীছসমূহৰ দ্বাৰা পোৱা যায়। যদি কোৰাণ কৰীমক যথেষ্ট বুলি বুজি লোৱা হয় তেন্তে কোৰাণ অনুযায়ী ইয়াৰ ওপৰত কি প্ৰমাণ আছে যে, ৰাতিপুৱা ফজৰৰ ফৰজ নামাজ দুই ৰাকাত,মগৰিবৰ নামাজ তিনি ৰাকাত,আৰু বাকী তিনি নামাজ চাৰি চাৰি ৰাকাত। এই আপত্তি শক্তিশালী অনুচ্ছেদ হয়; যিয়ে নিজৰ ভিতৰত এক ভ্ৰম সৃষ্টি কৰে, এই আপত্তিৰ মৌলবী আব্দুল্লাহ চাহাব কোনো নিৰাময় উত্তৰ দিয়া নাই। মাথোঁ অপব্যয় কথা যি লিখাৰো যোগ্য নহয়। হয় এই আপত্তিৰ ফলাফল অৱশেষত এয়া ওলায় যে মৌলবী আব্দুল্লাহ চাহাবক এক নতুন নামাজ বনাব লগা হ'ল যি জমিয়ে ইছলামৰ ফিৰকাত কোনো চিহ্ন পোৱা নাযায়। তেওঁ আত্তাহিয়াতু আৰু দৰূদ শ্বৰীফ আৰু বেলেগ যি দোৱাবোৰ নামাজত পঢ়া হয় মাজৰ পৰা খালি কৰি দিছে আৰু সেই ঠাইত মাথোঁ কোৰাণৰ আয়াতসমূহ ৰাখি দিছে। এনেকুৱা আৰু বহু নামাজত

পৰিৱৰ্তন কৰিছে যি ইয়াত উল্লেখ কৰাৰ প্ৰয়োজন নাই,সম্ভৱত হজৰ মছলা, জাকাত ইত্যাদি সমূহতো পৰিৱৰ্তন কৰিছে। কিন্তু এয়া সঁচা নে যে হাদীছবোৰ অযথা আৰু অলাভদায়ক যেনেকুৱা আব্দুল্লাহ চাহাবে বুজিছে ? আল্লাহৰ আশ্ৰয় বিচাৰোঁ। এয়া কেতিয়াও নহয়।

মূল কথা এয়া যে, সেই উভয় দলৰ এদলে সীমা অতিক্ৰমৰ বাট অৱলম্বন কৰিছে আৰু দ্বিতীয় দলে ক্ষোভ। প্ৰথম দল অৰ্থাৎ মোলবী মহম্মদ হুছেইন চাহাব যদিওবা এই কথাত সত্য যে তেওঁ কয় হাদীছবোৰ এনেকুৱা নহয় যে সেইবোৰক অযথা আৰু লঘু বুজি লোৱা কিন্তু তেওঁ মুখস্থৰ মৰ্যাদাক বিস্মৃত কৰি হাদীছৰ মৰ্যাদাক সেই ওখ মিনাৰত উৰ্দ্ধত কৰিছে যাৰ পৰা কোৰাণ কৰীম মৰ্যাদাহীন হৈ পৰে,আৰু তাৰ অস্বীকাৰ কৰিব লগা হয় আৰু কিতাবুল্লাৰ বিৰোধ আৰু আপত্তিৰ সেইসমূহ ভ্ৰূক্ষেপেই নকৰে আৰু হাদীছৰ কাহিনীবোৰ সেই কাহিনীৰ ওপৰত প্ৰাধান্য দিয়ে যিবোৰ কিতাবুল্লাহত আছে, আৰু হাদীছৰ বৰ্ণনাবোৰ কালামুল্লাহৰ বয়ানতকৈ উচ্চ বুলি জ্ঞান কৰে, আৰু এয়া ভুল আৰু অন্যায়ত সীমা অতিক্ৰম কৰি যোৱা। আল্লাহ তা'লা কোৰাণ শ্বৰীফত কৈছে,

(45:7) فَبِاَيِّ حَدِيْثٍۢ بَعْدَ اللّٰهِ وَاٰيٰتِهٖ يُؤْمِنُوْنَ ۝

(অনুবাদ: এতেকে আল্লাহ আৰু তেওঁৰ নিদৰ্শনাৱলীৰ পাছত (আন) কোন ধৰ্মোপদেশত সিহঁতে বিশ্বাস কৰিব ?)

এই ঠাইত হাদীছ শব্দৰ যি লাভালাভ সাধাৰণতে হয় তাৰ পৰা স্পষ্ট যে যি হাদীছ কোৰাণৰ পৰিপন্থী আৰু কোৰাণৰ সৈতে নিমিলে সেয়া এৰি দিব। এই হাদীছত আৰু এটা ভৱিষ্যদ্বাণী আছে যে যি এই আয়াতৰ ফালে ইঙ্গিত কৰে খোদা তা'লা কয় যে এনেকুৱা যুগ এই উম্মতৰ মাজত আহিবলগীয়া আছে যে কিছুমান উম্মতে কোৰাণ কৰিমক এৰি দি এনেকুৱা হাদীছ অনুযায়ী কৰ্ম কৰিব যাৰ বৰ্ণনা কোৰাণ কৰীমৰ পৰিপন্থী আৰু আপত্তিমূলক হ'ব। অৰ্থাৎ এই ফিৰকা আহলে হাদীছ এই কথাত সীমা অতিক্ৰমৰ বাটত খোজ আগবঢ়াই আছে যে কোৰাণৰ সাক্ষীৰ মোকাবিলাত হাদীছক প্ৰাধান্য দি আছে আৰু যদি সিহঁত ন্যায়

আৰু খোদা ভীতিৰ সৈতে কাম কৰিলেহেঁতেন তেতিয়া এনেকুৱা হাদীছবোৰৰ অনুকুলন পৱিত্ৰ কোৰাণৰ সৈতে কৰিব পাৰিলেহেঁতেন। কিন্তু সিহঁত সেই কথাত সন্মত হৈ যায় যে খোদা তা'লাৰ অটল আৰু নিশ্চিত কালামক এৰি দিয়া হওঁক তথা পৃথক বুলি গণ্য কৰা হওঁক আৰু এই কথাত সন্মত নহয় যে এনেকুৱা হাদীছবোৰ যাৰ বয়ান খোদাৰ কিতাপৰ পৰিপন্থী সেয়া এৰি দিয়া হওঁক, বা খোদাৰ কিতাপৰ সৈতে অনুকূলন কৰা হওঁক। অৰ্থাৎ এয়া সেই মূল্যস্ফীতিৰ পথ হয় যি মৌলবী মহম্মদ হুছেইনে অৱলম্বন কৰি ৰাখিছে।

আৰু তাৰ বিৰোধী মৌলবী আব্দুল্লাহ চাহাবে ক্ষোভৰ পথত খোজ ৰাখিছে যিয়ে আৰম্ভণীৰে পৰা হাদীছবোৰ অস্বীকাৰ কৰিছে,আৰু হাদীছবোৰ অস্বীকাৰ কৰিলে কোৰাণ শ্বৰীফৰ অস্বীকাৰ কৰা হয় কাৰণ আল্লাহ তা'লা কোৰাণ শ্বৰীফত কৈছে,

قُلْ إِنْ كُنْتُمْ تُحِبُّوْنَ اللّٰهَ فَاتَّبِعُوْنِىْ يُحْبِبْكُمُ اللّٰهُ (3:32)

(অনুবাদ : তুমি কোৱা, যদি তোমালোকে আল্লাহক ভাল পোৱা তেন্তে মোৰ অনুসৰণ কৰা; আল্লাই তোমালোকক ভাল পাব।)

অৰ্থাৎ খোদা তা'লাৰ প্ৰেম আঁ-হজৰত (ছাঃ)ৰ অনুসৰণৰ সৈতে সম্বন্ধ আৰু তেখেত (ছাঃ)ৰ ব্যৱহাৰিক আদৰ্শক জানিবৰ বাবে যাৰ ওপৰত অনুকৰণ নিৰ্ভৰশীল হাদীছ এক মাধ্যম হয়। অৰ্থাৎ যি ব্যক্তি হাদীছক এৰি দিয়ে সি অনুকৰণৰ বাটক এৰি দিয়ে আৰু মৌলবী আব্দুল্লাহ চাহাবৰ এই কথন যে গোটেইবোৰ হাদীছ কেৱল সন্দেহ আৰু কল্পনাৰে ভৰ্তি, এয়া চিন্তা-ভাৱনাৰ দুৰ্বলতাৰ কাৰণে সৃষ্টি হয় আৰু এই চিন্তা-ভাৱনাৰ মূল শিপা মুহাদ্দিছিনসকলৰ ভুল আৰু পৰিপূৰ্ণহীন বিভাজনৰ কাৰণে হয় যিয়ে বহু সংখ্যক লোকক প্ৰতাৰণাত পেলাইছে। সিহঁতে এই বিভাজন কৰে যে আমাৰ হাতত খোদাৰ কিতাপ আছে আৰু দ্বিতীয় হাদীছ, আৰু হাদীছ খোদাৰ কিতাপৰ কাজী(বিচাৰক) হয়,যেনেকুৱা হাদীছ এক কাজী বা ন্যায়াধীশৰ আসনত বহিছে আৰু কোৰাণ তাৰ সন্মুখত আচামীৰ নিচিনা থিয় হৈ আছে আৰু হাদীছৰ আদেশৰ অধীন হয়। এনেকুৱা বৰ্ণনাৰ পৰা নিঃসন্দেহ

প্ৰত্যেকক প্ৰতাৰণাত পেলাই দিব অথচ হাদীছ আঁ-হজৰত (ছাঃ)ৰ এশ ডেৰ শ বছৰ পিছত জমা কৰা হৈছে আৰু এয়া মানৱীয় হাতৰ স্পৰ্শৰ পৰা খালি নহয়। এয়া সত্ত্বেও সেইবোৰ ৰাৱী (বৰ্ণনাকাৰী)ৰ সংগ্ৰহ কাল্পনিক হয় তথা সন্দেহমূলক হয়, আৰু কিছুমানৰ আদেশ নিৰ্ভৰযোগ্য আৰু সেইবোৰ পৱিত্ৰ কোৰাণৰ কাজীও হয়,ইয়াৰ পৰা অনিবাৰ্য যে গোটেই ইছলাম ধৰ্ম কল্পনাৰ এক আধাৰ হয় আৰু স্পষ্ট যে কল্পনা কোনো বস্তু নহয়। যি ব্যক্তিয়ে কেৱল কল্পনাক ধাৰণ কৰি লয় তেওঁ সত্যৰ উচ্চ স্তৰৰ পৰা বহু নিম্নত। আল্লাহ তা'লা কৈছে যে

اِنَّ الظَّنَّ لَا يُغْنِىْ مِنَ الْحَقِّ شَيْـًٔا (10:37)

(অনুবাদঃ নিশ্চয় সত্যৰ মোকাবিলাত অনুমানৰ একোৱেই মূল্য নাই।)

অৰ্থাৎ পৱিত্ৰ কোৰাণ হাতৰ পৰা আঁতৰি গ'ল যে সেয়া কাজী চাহাবৰ বিনা ফতোৱা কৰ্ম কৰা আৱশ্যকতা নহয় তথা এৰাৰ যোগ্য,আৰু কাজী চাহাব অৰ্থাৎ হাদীছবোৰ কেৱল সন্দেহৰ লেতেৰা আৱৰ্জনা কাপোৰ পৰিধান কৰি আছে যাৰ পৰা মিছা আঁতৰ হোৱা কোনো প্ৰকাৰেই পৃথক নহয় কাৰণ কল্পনাৰ পৰিভাষা এয়া যে সেয়া মিছাৰ পৰা খালি নহয়। এই পৰিস্থিতিত কোৰাণ আমাৰ হাতত নাথাকিল আৰু হাদীছ সেই যোগ্যৰ নহয় যাৰ ওপৰত ভৰসা কৰিব পৰা যায়,অৰ্থাৎ দুয়ো হাতৰ পৰা গ'ল। এই ভুল যিয়ে অধিকতৰ মানুহক ধ্বংসৰ গ্ৰাসলৈ ঠেলি দিছে।*

---

***নোট** ঃ-মই যেতিয়া বিজ্ঞাপন সমাপ্ত কৰো,সম্ভৱত দুই তিনি পংতি বাকী আছিল তেতিয়া সপোনত মোৰ ওপৰত ইমান জোৰ দিছে যে মই অজ্ঞান হৈ কাগজবোৰ হাতৰ পৰা এৰি দি শুই পৰো তেতিয়া সপোনত মহম্মদ হুছেইন বাটালৱী চাহাব আৰু মহম্মদ আব্দুল্লাহ চাহাব চকৰালৱী মোৰ দৃষ্টিৰ সন্মুখত আহে। মই সেই দুয়োজনক সম্বোধন কৰি কওঁ

خسف القمر و الشمس فی رمضان۔ فبایّ الآءِ ربکما تکذّبٰن

**অৰ্থ** ঃ অৰ্থাৎ চন্দ্ৰ আৰু সূৰ্য ৰমজান মাহত গ্ৰহণ লাগিছে, তেতিয়াহলে তোমালোক দুয়ো তোমালোকৰ প্ৰভুৰ কোনটো অনুগ্ৰহনো অস্বীকাৰ কৰিবা ?

আকৌ মই এই সপোনত মৌলবী আব্দুল কৰিম চাহাবক কওঁ যে الآءِ অভিপ্ৰায় ইয়াত মই হওঁ

আৰু ছিৰাতে মুছতাকিম যাক প্ৰকাশ কৰাৰ কাৰণে মই এই বিষয় লিখিছোঁ সেয়া এই যে মুছলমানৰ হাতত ইছলামী হিদায়ৎ প্ৰতিষ্ঠিত হোৱাৰ বাবে তিনিটা বস্তু আছে।

(১) কোৰাণ শ্বৰীফ যি কিতাবুল্লাহ হয় তাতকৈ ডাঙৰ আমাৰ হাতত কোনো কালাম আৰু বিশ্বাস নাই সেয়া খোদাৰ কালাম হয়,সেয়া শংকা আৰু সন্দেহৰ পৰা পৱিত্ৰ।(২)দ্বিতীয় ছুন্নত হয় আৰু এই ঠাইত আমি আহলে হাদীছৰ পৰা পৃথক হৈ কথা পাতো।অৰ্থাৎ আমি হাদীছ আৰু ছুন্নতক এক বুলি নিৰ্ণয় নকৰো যেনেকুৱা পৰম্পৰাগত মুহাদ্দিছিনসকলৰ প্ৰথা,অৰ্থাৎ হাদীছ পৃথক বস্তু আৰু ছুন্নত পৃথক বস্তু। ছুন্নতৰ পৰা আমাৰ অভিপ্ৰায় কেৱল আঁ-হজৰত (ছাঃ)ৰ ব্যৱহাৰিক আচৰণ হয় আৰু যি নিজৰ ভিতৰত নিৰন্তৰ ৰাখে আৰু প্ৰাথমিকৰ পৰা পৱিত্ৰ কোৰাণৰ সৈতে প্ৰকাশিত হয় আৰু সদায় লগতে থাকিব দ্বিতীয় শব্দত এয়া ক'ব পাৰে যে পৱিত্ৰ কোৰাণ খোদা তা'লাৰ কথন হয় আৰু ছুন্নত ৰছুলুল্লাহ (ছাঃ)ৰ কৰ্ম হয় আৰু আৰম্ভণীৰ পৰা খোদা তা'লাৰ নিয়ম এয়া যে নবীসকল খোদা তা'লাৰ কালাম লোকক বাট দেখোৱাৰ কাৰণে লৈ আহে, অৰ্থাৎ নিজৰ ক্ৰিয়াত্মক কাৰ্য্যৰ পৰা অৰ্থাৎ ক্ৰিয়াত্মক হিচাপে সেই কথনৰ ব্যাখ্যা কৰি দিয়ে যাতে মানুহৰ মাজত সেই কথন বুজি পোৱাত কোনো অসুবিধা নহয় আৰু সেই কথনৰ ওপৰত স্বয়ং কাৰ্যকৰী হয় আৰু বেলেগকো কাৰ্য্যকৰী কৰোৱায়।

৩)হিদায়তৰ তৃতীয় মাধ্যম হাদীছ হয়। হাদীছৰ পৰা আমাৰ অভিপ্ৰায় এই চিহ্নৰলী যি কাহিনীৰূপে আঁ-হজৰত (ছাঃ)ৰ পৰা প্ৰায় ডেৰ শ বছৰ পিছত বিভিন্ন বৰ্ণনাকাৰীৰ মাধ্যমত একত্ৰিত কৰা হৈছে,অৰ্থাৎ ছুন্নত আৰু হাদীছৰ মাজত পৰস্পৰ অন্তৰ

**বাকী টোকা ঃ** আৰু মই এক দালানৰ ফালে দৃষ্টি নিক্ষেপ কৰি দেখিবলৈ পাওঁ যে তাতে এক পোহৰ প্ৰকাশিত হৈ আছে ৰাতিৰ সময় আছিল আৰু এই ইলহাম নিম্ন লিখিত কিছুমান ব্যক্তিয়ে সেই পোহৰৰ সন্মুখত কোৰাণ শ্বৰীফ খুলি তাৰ পৰা সেই দুই বাক্য নকল কৰি আছিল যি কোৰাণ শ্বৰীফত ক্ৰম আছে তাৰ পৰা এজন ব্যক্তিক মই চিনাক্ত কৰিছোঁ যে মিয়া নবী বখশ্ব চাহাব ৰফুগৰা অমৰিতছৰী হয়।

এয়া যে ছুন্নত এক ক্ৰিয়াত্মক পদ্ধতি হয় আৰু যি নিজৰ সৈতে নিৰন্তৰতা ৰাখে যাক আঁ-হজৰত (ছাঃ)য়ে নিজৰ হাতৰ দ্বাৰা জাৰি কৰিছে আৰু সেয়া নিশ্চিত শ্ৰেণীত পৱিত্ৰ কোৰাণৰ পিছত দ্বিতীয় নম্বৰত হয়। আৰু যি প্ৰকাৰ আঁ-হজৰত (ছাঃ)য়ে পৱিত্ৰ কোৰাণ প্ৰসাৰ কৰাৰ কাৰণে দূত আছিল। এইদৰে ছুন্নতক স্থাপিত কৰাৰ কাৰণেও দূত আছিল। অৰ্থাৎ যেনেকুৱা পৱিত্ৰ কোৰাণত দৃঢ় বিশ্বাসী, তেনেকুৱাই ছুন্নত সাধাৰণ ক্ৰম অনুযায়ী বিশ্বাসী।এই দুয়ো খেদমত আঁ-হজৰত (ছাঃ)য়ে নিজৰ হাতেৰে কৰিছে আৰু উভয়ক নিজৰ ফৰজ বুলি ভাবিছে। উদাহৰণ স্বৰূপ যেতিয়া নামাজৰ আদেশ হয় তেতিয়া খোদা তা'লাৰ সেই কথন নিজৰ কৰ্মৰ দ্বাৰা কৰি দেখুৱাইছে যে ফজৰৰ নামাজৰ এই ৰাকাত হয়,মগৰিবৰ এই, বাকী নামাজৰ এই এই ৰাকাত। এনেকুৱাই হজ কৰি দেখুৱাইছে বা নিজৰ হাতৰ দ্বাৰা হাজাৰ চাহাবাক এই কাৰ্যাৱলী বাধ্যবাধকতা কৰি কৰ্য্যকৰী শৃঙ্খলা বৰ প্ৰবলতাৰ সৈতে প্ৰতিষ্ঠিত কৰিছে। অৰ্থাৎ কাৰ্যকৰী নমুনা যি এতিয়ালৈকে উম্মতত দৃশ্যমান আৰু অনুতাপ আছে তাৰ নামেই ছুন্নত।কিন্তু হাদীছক আঁ-হজৰত (ছাঃ)য়ে নিজৰ সন্মুখত লিখোৱা নাই আৰু সেয়া জমা কৰাৰ কোনো ব্যৱস্থাও কৰা নাছিল। কিছুমান হাদীছ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে একত্ৰিত কৰিছিল কিন্তু খোদা ভীতি হৈ তেখেত (ৰাঃ)য়ে সেই হাদীছবোৰ জ্বলাই দিয়ে আৰু কয় যে এয়া মই পৰোক্ষভাৱে শ্ৰৱণ কৰা নাই। খোদা তা'লা জানে তাৰ মূল সততা কি আছিল। আকৌ যেতিয়া সেই চাহাবাসকলৰ যুগ অতিবাহিত হয় কিছুমান অনুসৰণকাৰীক খোদা তা'লা সেইফালে ঘূৰাই দিয়ে যে হাদীছবোৰক এঠাইত একত্ৰিত কৰি লোৱা উচিত তেতিয়া গৈ হাদীছবোৰ একত্ৰিত হৈছে। ইয়াত কোনো সন্দেহ নাই যে বেছিৰভাগ হাদীছ একত্ৰিত কৰা সকলে মুত্তাকী আৰু ধাৰ্মিক আছিল। সিহঁতৰ যিমান সামৰ্থ শক্তি আছিল সেইমতে হাদীছ একত্ৰিত কৰিছে আৰু এনেকুৱা হাদীছৰ পৰা হাত সাৰিবলৈ বিচাৰিছে যি সিহঁতৰ ৰায় হিচাপে বিষয়াৱলীত আছিল আৰু সন্দেহমূলক বৰ্ণনাকাৰীৰ হাদীছ লোৱা নাই। বহুত কষ্ট কৰা হৈছে কিন্তু সেইসকলোবোৰ কাৰ্যকলাপ সময়ৰ পিছত আছিল

এই কাৰণে সেইবোৰ সন্দেহৰ শ্ৰেণীত আছিল এয়া কোৱা কঠোৰ অন্যায় হ'ব যে সেই সকলোবোৰ হাদীছ আৱৰ্জনা, দুৰ্বল,অলাভদায়ক আৰু মিছা হয়। অৰ্থাৎ সেই হাদীছবোৰ লিপিবদ্ধ কৰাত ইমান সাৱধানতা অৱলম্বন কৰা হৈছে আৰু ইমান গৱেষণা সমালোচনা কৰা হৈছে যাৰ দৃষ্টান্ত বেলেগ ধৰ্মত পোৱা নাযায়। ইহুদীসকলৰো হাদীছ আছে আৰু হজৰত মছীহ (আঃ)ৰ মোকাবিলাত সেই ইহুদী ফিৰকা আছিল যাক **আমিল বিলহাদীছ** বুলি কোৱা হৈছিল,কিন্তু প্ৰমাণ কৰা হোৱা নাই যে ইহুদীসকলৰ মুহাদ্দিছিনসকলে এনেকুৱা সাৱধানতাৰ সৈতে সেই হাদীছবোৰ জমা কৰিছিল যেনেকুৱা ইছলামৰ মুহাদ্দিছিনসকলে কৰিছে। এনেকুৱা ধাৰণা কৰা ভুল যে যেতিয়ালৈকে হাদীছবোৰ একত্ৰিত কৰা হোৱা নাছিল সেই সময়লৈকে লোক নামাজৰ ৰাকাতবোৰৰ পৰা অবিদিত আছিল বা হজ কৰাৰ পদ্ধতি অজনা আছিল, কাৰণ, কাৰ্যকৰী কৰাৰ শৃঙ্খলা যি ছুন্নতৰ জৰিয়তে সিহঁতৰ মাজত সৃষ্টি হৈছিল সকলোবোৰ সীমাবদ্ধতা আৰু ইছলামৰ ফৰজসমূহ সিহঁতক শিকোৱা হৈছিল এই কাৰণে এই কথা একেবাৰে সঠিক যে যদি সেই হাদীছবোৰৰ দুনিয়াত অস্তিত্ব নাহিলেহেঁতেন যি দীৰ্ঘ সময় পিছত জমা কৰা হৈছে তেতিয়া ইছলামৰ মূল শিক্ষাৰ কোনো সমস্যা নাছিল, কাৰণ কোৰাণ ছিলছিলা তামিল (ছুন্নত)য়ে সেই প্ৰয়োজনীয়তা পূৰ্ণ কৰি দিছিল হাদীছবোৰে সেই পোহৰ বৃদ্ধি কৰিছে অৰ্থাৎ ইছলাম নুৰ আলা নুৰ (পোহৰৰ ওপৰত পোহৰ) হৈ গৈছে। হাদীছবোৰ কোৰাণ আৰু ছুন্নতৰ কাৰণে সাক্ষী হিচাপে থিয় হৈছে। আৰু ইছলামৰ বহুত ফিৰকা (দল) যিবোৰ পিছত সৃষ্টি হৈছে তাৰ মাজত সত্য ফিৰকাক হাদীছবোৰৰ পৰা যথেষ্ট উপকাৰ হৈছে।অৰ্থাৎ মজহবে ইছলাম এয়া যে এই যুগত আহলে হাদীছৰ নিচিনা হাদীছৰবোৰৰ বিষয়ে এয়া বিশ্বাস পোষণ কৰা নহওঁক যে কোৰাণৰ ওপৰত হাদীছক প্ৰাধান্য দিব আৰু যদি সেইবোৰৰ কাহিনী কোৰাণৰ বৰ্ণনাৰ পৰিপন্থী হয় তেতিয়া এনেকুৱা নকৰিব যে হাদীছৰ কাহিনীবোৰ কোৰাণৰ ওপৰত প্ৰাধান্য দিব আৰু কোৰাণক এৰি দিব আৰু হাদীছবোৰক মৌলবী আব্দুল্লাহ চক্ৰালৰীৰ আকিদা

(বিশ্বাস)ৰ নিচিনা কেৱল আৱৰ্জনা আৰু বাতিল বুলি গন্য নকৰিব,অৰ্থাৎ উচিত এয়া যে কোৰাণ আৰু ছুন্নতক হাদীছৰ ওপৰত কাজী (সিদ্ধান্তকাৰী) বুলি গন্য কৰা হওঁক আৰু যিবোৰ হাদীছ কোৰাণ আৰু ছুন্নতৰ পৰিপন্থী নহয় সেয়া নিজৰ দৃষ্টিত গ্ৰহণ কৰি লোৱা হওঁক এয়াই সহজ সৰল বাট হয়। কল্যাণমণ্ডিত সেইজন যিজনে ইয়াৰ অনুসৰণ কৰে,অতি দুৰ্ভাগ্য* আৰু অজ্ঞ সেই ব্যক্তি যিয়ে এই বিধিমূলক হাদীছবোৰৰ অস্বীকাৰ কৰে।

আমাৰ জামাতৰ এয়া বাধ্যতামূলক হোৱা উচিত যে যদি কোনো হাদীছ কোৰাণ আৰু ছুন্নতৰ বিপৰীত নহয় সেয়া যিমানেই নিম্ন শ্ৰেণীৰ হাদীছ নহওঁক কিয় তাৰ ওপৰত আমল (কাৰ্যকৰী) কৰিব আৰু মানুহৰ কৃত্ৰিম ফিকাসমূহৰ ওপৰত সেইবোৰক প্ৰাধান্য দিব,আৰু যদি হাদীছত কোনো সমস্যাৰ সমাধান পোৱা নাযায়

---

***নোট** - আজি ৰাতি মোক দিব্য দৰ্শনত দেখুৱা হৈছে যে এটা গছ অতি কোমল আৰু ধুনীয়া ফুলৰ সৈতে বাহন কৰি আছে কিছুমান জামাত কষ্ট আৰু কঠিনতাৰ সৈতে এটা পুলি তাৰ ওপৰত উঠাব খুজিছে যাৰ মূল শিপা নাই অথচ তাত উঠাই ৰাখিছে সেই পুলি আফতিমুন (এক ঔষধ)ৰ নিচিনা হয় আৰু যেতিয়াই সেই পুলি সেই গছৰ ওপৰত উঠে তাৰ ফলৰ ক্ষতি কৰে আৰু সেই পাতল গছত এক ধৰণৰ কুংচিত আকৃতি সৃষ্টি হ'ব ধৰে আৰু যি ফুলৰ সেই গছৰ পৰা আশা কৰা যায় সেয়া নষ্ট হোৱাৰ প্ৰবল সন্দেহ  হয় অৰ্থাৎ কিছু পৰিমাণে নষ্ট হৈ গৈছে তেতিয়া মোৰ হৃদয় এয়া দেখি ভীতিগ্ৰস্ত হয় আৰু গলি যায় আৰু এজন ব্যক্তিক যিজন পুণ্য আৰু পৱিত্ৰ মানৰ হিচাপে থিয় হৈ আছিল সুধিলো যে এইটো কি গছ আৰু এই পুলি কেনেকুৱা যিয়ে এই পাতল গছখনক নিজৰ অধীনত কৰি লৈছে তেতিয়া তেওঁ উত্তৰত মোক কয় যে, এই গছ কোৰাণ, খোদাৰ কালাম হয় আৰু এই পুলি সেই হাদীছ আৰু কথন ইত্যাদি যি কোৰাণৰ পৰিপন্থী হয় বা বিপৰীত বুলি গন্য কৰা হৈছে সেইবোৰ ব্যাপক সংখ্যা হোৱাৰ বাবে সেই গছক চেপা মাৰি ৰাখিছে আৰু তাক ক্ষতি কৰি আছে। তেতিয়া মোৰ চকু খোলে অৰ্থাৎ মোৰ চকুখন খোলাৰ লগে লগে সেই সময় ৰাতি আছিল এই বিষয় লিখি আছিলো আৰু এতিয়া সমাপ্ত কৰো আৰু শনিবাৰৰ ৰাতি আছিল আৰু ১২ বজাৰ পিছত ২ বাজিবলৈ ২০ মিনিট বাকী আছিল। ফালহামদুলিল্লাহ আলা জালিকা

আৰু ছুন্নততো আৰু কোৰাণতো, সেই  ক্ষেত্ৰত ফিকা হানাফীৰ ওপৰত আমল কৰিব কাৰণ সেই ফিৰকাৰ বেছিৰভাগে খোদা তা'লাৰ ইচ্ছানুযায়ী চলে আৰু যদি বৰ্তমান কিছু পৰিৱৰ্তনৰ কাৰণে ফিকা হানাফী কোনো সঠিক ফতোৱা দিব নোৱাৰে সেই ক্ষেত্ৰত আলিমসকল এই বিষয়ে খোদা ভীতিৰ সৈতে কাম ল'ব। কিন্তু সাৰধান থাকিব যে মৌলবী আব্দুল্লাহ চকৰালৱীৰ নিচিনা বিনা কাৰণত হাদীছৰ অস্বীকাৰ নকৰিব। হা যদি কোৰাণ আৰু ছুন্নতৰ পৰা কোনো হাদীছক আপত্তিমূলক পায় সেই ক্ষেত্ৰত সেই হাদীছক এৰি দিব। স্মৰণ ৰাখিব যে আমাৰ জামাত আব্দুল্লাহৰ তুলনাত আহলে হাদীছৰ বেছি কাষতীয়া আৰু আব্দুল্লাহ চকৰালৱীৰ অযথা কল্পনাৰ সৈতে আমাৰ কোনো মিল নাই। প্ৰত্যেকেই যিসকলে মোৰ জামাতত আছে তেওঁৰ এয়া কৰা উচিত যে, আব্দুল্লাহ চকৰালৱীৰ আকিদাৰ পৰা যি তেওঁ হাদীছ সম্বন্ধে ৰাখে বেজাৰ হোৱা, আৰু এনেকুৱা লোকৰ সাক্ষাতৰ পৰা যথা সম্ভৱ আঁতৰত থাকিব যে সি আনৰ বিৰোধীৰ তুলনাত বেছি ধ্বংসপ্ৰাপ্ত ফিৰকা হয়।*

আৰু তেওঁ মৌলবী মহম্মদ হুছেইনৰ দলৰ নিচিনা হাদীছ সম্পৰ্কে সীমা অতিক্ৰমৰ ফালে যেন নাযায় আৰু আব্দুল্লাহৰ নিচিনা ক্ষোভৰ ফালে আকৃষ্ট নহয় এই বিষয়ে মজলীয়া পদ্ধতি নিজৰ ধৰ্মৰ বাবে বুজি লওঁক অৰ্থাৎ হাদীছক একেবাৰে নিজৰ কিবলা আৰু কাবা  বুলি নেভাৱিব, যাৰ পৰা কোৰাণ পৰিত্যাগ কৰাৰ নিচিনা হৈ যায়। আৰু এনেকুৱা ভাৱে হাদীছক অযথা বুলি নেভাৱিব যাৰ পৰা নবী কৰীম

---

*সেই ৰাতিত এটা ইলহাম হয় সময় ৰাতি ৩ বাজি ২ মিনিট আৰু সেয়া এই,

من أعرض عن ذكرى نبتليه بذرّيّة فاسقة ملحدة يميلون ألى الدّنيا ولا يعبدوننى شيأ

যি ব্যক্তি কোৰাণৰ পৰা পৰামুখ হ'ব আমি সেই জনক এক ফাছেক সন্তানৰ দ্বাৰা পৰীক্ষাত পেলাম আৰু মোৰ উপাসনাৰ সিহঁতৰ একোৱে অংশ নাথাকিব অৰ্থাৎ এনেকুৱা সন্তানৰ পৰিণাম বেয়া হ'ব, তৌবা (অনুতাপ) আৰু তাকৱা (খোদাভীতি)ৰ সৌভাগ্য সিহঁতৰ ন'হব।

(ছাঃ)ৰ হাদীছ একেবাৰে বিনষ্ট হৈ যায়। এনেকুৰা হোৱা উচিত নহয় যে খাতামে নবুয়ত আঁ-হজৰত (ছাঃ)ক অস্বীকাৰ কৰি দিয়ে যাৰ পৰা এই উম্মতৰ ঐশ্বৰিক মুকালিমাত (ঐশ্বৰিক কালাম) আৰু মুখাতিবাত (সম্বোধিত)ৰ দুৱাৰ বন্ধ হৈ যায়। আৰু স্মৰণ ৰাখিব যে আমাৰ ঈমান এয়া যে শেষ গ্ৰন্থ আৰু শেষ চৰিয়ত কোৰাণ হয় আৰু তাৰ পিছত কিয়ামত লৈকে এই অৰ্থত কোনো নবী নাই যি চৰিয়তী নবী হ'ব বা আঁ-হজৰত )(ছাঃ)ৰ অনুসৰণৰ মাধ্যম অবিহনে ওহীপ্ৰাপ্ত হ'ব পাৰে অৰ্থাৎ কিয়ামতলৈ এই দুৱাৰ বন্ধ আছে। আৰু নবীৰ অনুসৰণৰ মাধ্যমে ওহীৰ অনুগ্ৰহ প্ৰাপ্ত হোৱাৰ দুৱাৰ কিয়ামতলৈকে মুকলি আছে। আৰু ওহী যি অনুসৰণৰ ফলাফল হয় কেতিয়াও সমাপ্ত নহ'ব। কিন্তু চৰিয়তী নবী বা স্থায়ী নবী বন্ধ হৈ গৈছে।

**ولا سبيل اليها الٰى يوم القيٰمة ومن قال انى لست من امة محمد صلى الله عليه وسلم وادعى انه نبى صاحب الشريعة اومن دون الشريعة وليس من الامّة فمثله كمثل رجل غمره السيلُ المنهمر فالقاه وراء ه ولم يغادر حتّى مات**

ইয়াৰ বিস্তাৰিত এনে যে, খোদা তা'লা যি ঠাইত এই প্ৰতিশ্ৰুতি দিছে যে আঁ-হজৰত (ছাঃ) খাতামাল আম্বিয়া হয় সেই স্থানত এই ইঙ্গিতও কৰিছে যে আঁজনাব নিজৰ আধ্যাত্মিক ৰূপত সেই শুধৰণীৰ অধিকাৰত দেউতাৰ হুকুমত হয় যাৰ অনুসৰণৰ ফলত পৰিপূৰ্ণ আত্মা হৈ যায় আৰু ঐশ্বৰিক কালাম তেওঁক প্ৰদান কৰা হয়। যেনেকুৰা আল্লাহ তা'লা কোৰাণ কৰিমত কৈছে,

مَا كَانَ مُحَمَّدٌ اَبَآ اَحَدٍ مِّنْ رِّجَالِكُمْ
وَلٰكِنْ رَّسُوْلَ اللّٰهِ وَخَاتَمَ النَّبِيّٖنَ (33:41)

মহম্মদ (ছাঃ) তোমালোকৰ পুৰুষসকলৰ মাজৰ কোনো এজনৰো পিতৃ নহয় বৰং তেওঁ হৈছে আল্লাহৰ এজন ৰছুল আৰু নবীসকলৰ ছীল-মোহৰ ।

এতিয়া স্পষ্ট যে لٰكِنْ শব্দ আৰবী ভাষাত প্ৰতিৰোধৰ বাবে আহে অৰ্থাৎ মাফাতৰ (যিজন মৃত্যু বৰণ কৰিছে) কাৰণে আহে। গতিকে এই আয়াতৰ প্ৰথম অংশত যি বিষয় অদৃশ্য নিৰ্ণয় কৰি দিয়া হৈছিল,অৰ্থাৎ আঁ-হজৰত (ছাঃ)ৰ জাতক অস্বীকাৰ কৰা হৈছে সেয়া শাৰীৰিক ভাৱে কোনো পুৰুষৰ পিতৃ হ'বলগীয়া আছিল। অৰ্থাৎ لٰكِنْ শব্দৰ সৈতে এনেকুৱা মৃত বিষয় এইদৰে প্ৰতিৰোধ কৰা হৈছে যে আঁ-হজৰত (ছাঃ)ক খাতামান আম্বিয়া নিৰ্ণয় কৰা হৈছে যাৰ এয়া অৰ্থ যে তেখেত (ছাঃ)ৰ পিছত পৰোক্ষ ভাৱে নবীৰ মৰ্যাদা পোৱা বন্ধ হৈ গৈছে। এতিয়া পূৰ্ণ নবুয়ত মাথোঁ সেই ব্যক্তিয়ে পাব যিয়ে নিজৰ কৰ্ম নবী কৰীম (ছাঃ)ৰ অনুসৰণলৈ মোহৰ মাৰিব এই ক্ষেত্ৰত তেওঁ আঁ-হজৰত (ছাঃ)ৰ সন্তান আৰু তেখেতৰ উত্তৰাধিকাৰী হ'ব। এই আয়াতত এফালে আঁ-হজৰত (ছাঃ)ৰ পিতৃ হোৱাত অস্বীকাৰ কৰা হৈছে আনফালে পিতৃ হোৱাৰ প্ৰমাণো কৰা হৈছে সেই আপত্তি যাৰ উল্লেখ

اِنَّ شَانِئَكَ هُوَ الْاَبْتَرُ ۝ (108:4)

(নিশ্চয় তোমাৰ বিদ্বেষকাৰীয়েই স্বয়ং বঞ্চিত অৰ্থাৎ তোমালোকৰ শত্ৰু সকলৰহে কোনো সতি-সন্ততি নেথাকিব) এই আয়াতৰ দ্বাৰা দূৰ কৰা হৈছে। ফলাফল এই আয়াতৰ এয়া হয় যে নবুয়ত চৰিয়ত অবিহনে হয়, এইদৰে বন্ধ হয় যে কোনো ব্যক্তি পৰোক্ষভাৱে নবুয়তৰ মৰ্যাদা অৰ্জন কৰিব পাৰে। কিন্তু এইদৰে নিষিদ্ধ নহয় যে নবুয়তৰ জ্যোতি নবুয়ত মহম্মদীয়াৰ পৰা অৰ্জিত হয় অৰ্থাৎ এনেকুৱা যোগ্যতাপ্ৰাপ্ত এক প্ৰচেষ্টাৰ ফলত উম্মতী হয় দ্বিতীয় প্ৰচেষ্টাৰ ফলত মহম্মদীয়া নবুয়তৰ জ্যোতি অৰ্জন কৰি নবুয়তৰ মৰ্যাদা নিজৰ ভিতৰত ৰাখে। আৰু যদি এই ক্ষেত্ৰত পৰিপূৰ্ণ আত্মা উম্মতৰ প্ৰতিৰোধ কৰা হয় সেই ক্ষেত্ৰত নাউজুবিল্লাহ আঁ-হজৰত (ছাঃ)উভয় ক্ষেত্ৰত আবতৰ হৈ যায় দৈহিক ভাৱে কোনো সন্তান নাথাকে আৰু আধ্যাত্মিক ভাৱেও কোনো সন্তান নাথাকে আৰু আপত্তিকাৰক সত্য হৈ যায় যি আঁ-হজৰত (ছাঃ)ৰ নাম আবতৰ ৰাখিছে।

এতিয়া এই কথা স্পষ্ট হৈ গৈছে যে আঁ-হজৰত (ছাঃ)ৰ পিছত নবুয়তে মুছতাকলা

(স্থায়ী নবুয়ত) যি পৰোক্ষভাৱে পোৱা যায়।* ইয়াৰ দুৱাৰ কিয়ামত পৰ্যন্ত বন্ধ থাকিব, যেতিয়ালৈকে কোনোবাই নিজৰ উম্মতী হোৱাৰ সততা নিজৰ ভিতৰত নাৰাখে আৰু হজৰত মহম্মদ (ছাঃ)ৰ গোলামীৰ ফালে আৰোপণ নকৰে সেইজন কোনো ক্ষেত্ৰেই আঁ-হজৰত (ছাঃ)ৰ পিছত প্ৰকাশ হ'ব নোৱাৰে অৰ্থাৎ এই ক্ষেত্ৰত হজৰত ঈছা (আঃ)ক আকাশৰ পৰা অৱতৰণ কৰা আৰু তেওঁৰ ক্ষেত্ৰত এয়া নিৰ্ণয় কৰা হয় যে তেওঁ উম্মতী হয় আৰু তেওঁৰ নবুয়ত আঁ-হজৰত (ছাঃ)ৰ মহম্মদী নবুয়তৰ জ্যোতিৰ পৰা অৰ্জিত আৰু লাভালাভ হয় কি পৰিমাণ যে বনোৱা কষ্টদায়ক হয়। যি ব্যক্তি পূৰ্বৰে পৰা নবীৰ শ্ৰেণী অৰ্জন কৰিছে। তেওঁৰ ক্ষেত্ৰত এয়া কোৱা কেনেকৈ শুদ্ধ হ'ব যে তেওঁৰ নবুয়ত আঁ-হজৰত (ছাঃ)ৰ নবুয়তৰ জ্যোতিৰ পৰা লাভালাভ হৈছে। যদি তেওঁৰ নবুয়ত মহম্মদীয়া জ্যোতিৰ পৰা লাভালাভ হোৱা নাই তেতিয়া তেওঁক কি অৰ্থত উম্মতী নবী বুলি কোৱা হ'ব। স্পষ্ট যে উম্মতৰ অৰ্থ কোনোবাৰ ওপৰত সত্যায়ণ হ'ব নোৱাৰে যেতিয়ালৈকে প্ৰত্যেক ধৰণৰ মৰ্যাদা তেওঁৰ নবীৰ অনুসৰণৰ মাধ্যমে তেওঁক অৰ্জিত নহয়।

---

***টোকা ঃ** কিছুমান মৌলবীয়ে মোৰ ওপৰত আপত্তি কৰে যে আমাৰ নবী কৰীম (ছাঃ)য়ে আমাক এই শুভ-সংবাদ প্ৰদান কৰিছে যে, তোমালোকৰ মাজত ৩০ দাজ্জাল আহিব। আৰু প্ৰত্যেকেই নবুয়তৰ দাবী কৰিব । তাৰ উত্তৰ এয়া যে হে অজ্ঞ! দুৰ্ভাগ্যপূৰ্ণ! তোমাৰ ভাগ্যত ৩০ দাজ্জালেই লিখা হোৱা আছিলনে ? চতুৰ্থদশ শতাব্দীৰ পঞ্চম সমাপ্ত হ'বলগীয়া হৈ আছে আৰু খলিফাৰ চন্দ্ৰই নিজৰ মৰ্যাদাৰ ১৪ স্থান পৰিপূৰ্ণ কৰি লৈছে যাৰ ফালে আয়াত,

(36:40) وَالْقَمَرَ قَدَّرْنٰهُ مَنَازِلَ

ৰ ফালে ইঙ্গিত কৰে আৰু দুনিয়া সমাপ্ত হ'ব ধৰিছে কিন্তু মানুহৰ দাজ্জাল এতিয়াও সমাপ্ত হোৱা নাই সম্ভৱত এয়া তোমাৰ মৃত্যুলৈ থাকি যাব। হে অজ্ঞ! সেই দাজ্জাল যাক চয়তান কোৱা হয় সেয়া তোমাৰ ভিতৰত আছে, এই কাৰণে তোমালোকে সময়ক চিনিব নোৱাৰা। ঐশ্বৰিক নিদৰ্শন দেখিবলৈ নোপোৱা। কিন্তু তোমালোকৰ ওপৰত কি যে পৰিতাপ, সেইজন যিজন মোৰ নিচিনা মুছা (আঃ)ৰ পিছত চৌধ্য শতাব্দীত প্ৰকাশ হৈছিল। তাৰ নাম অশিষ্ট ইহুদীসকলে দাজ্জলাহৈ ৰাখিছিল। فالقلوب تشابهت اللّٰهمّ ارحم

যি ব্যক্তি ইমান মহান শ্ৰেণীৰ নবী কোৱাৰ যোগ্যতা ৰাখে সেইজন উম্মতী কেনেকৈ হ'ব অৰ্থাৎ তেওঁ চিৰস্থায়ী নবী হ'ব যাৰ কাৰণে আঁ-হজৰত (ছাঃ)ৰ পিছত খোজ ৰখাৰ স্থান নাথাকিব। আৰু যদি কোৱা হয় যে পূৰ্বৰ নবী তেওঁ পৰোক্ষভাৱে পাইছিল। আৰু এতিয়া নবীৰ অনুসৰণৰ ফলত তেওঁ নতুন নবুয়ত পাব যেনেকুৱা আয়াতৰ ইচ্ছা। এই ক্ষেত্ৰত এই উম্মতক যাক শ্ৰেষ্ঠ উম্মত বুলি কোৱা হয় অধিকাৰ ৰাখে যে ইয়াৰ মাজৰ পৰা কোনো ঈমানদাৰ ব্যক্তি নবী কৰীম (ছাঃ)ৰ অনুসৰণৰ ফলত এই শ্ৰেণীলৈ গৈ পায় আৰু হজৰত ঈছা (আঃ)ক আকাশৰ পৰা অৱতৰণ কৰাৰ কোনো প্ৰয়োজন নপৰে। কাৰণ যদি উম্মতক মহম্মদী জ্যোতিৰ মাধ্যমে মৰ্যাদাপূৰ্ণ নবুয়ত অৰ্জিত হ'ব পাৰে এই ক্ষেত্ৰত কোনোবাক আকাশৰ পৰা অৱতৰণ কৰি মূল অধিকাৰৰ অধিকাৰ বিনষ্ট কৰা হয় আৰু কি ক্ষেত্ৰত কোনো উম্মতক লাভালাভ হ'ব, যাতে মহম্মদী ফয়েজৰ নমুনা কোনোবাৰ সন্দেহ নহয়,নবীক নবী বনোৱাৰ কি অৰ্থ। উদাহৰণস্বৰূপ এজন ব্যক্তি সোণ বনোৱাৰ দাবী কৰে আৰু সোণৰ সৈতে মিহলাই কয় যে, লোৱা সোণ হৈ গৈছে। ইয়াৰ পৰা এয়া প্ৰমাণিত হয়নে যে তাত মিশ্ৰিত আছে। অৰ্থাৎ আঁ-হজৰত (ছাঃ)ৰ মৰ্যাদাৰ দক্ষতা ইয়াত আছিল যে, উম্মতক সেই শ্ৰেণীৰ মৰ্যাদা অনুসৰণৰ ফলত যেন সৃষ্টি হৈ যায় নতুবা এজন নবী যিয়ে প্ৰথমেই নবীৰ মৰ্যাদা পাইছে উম্মতী কৰি দিয়া আৰু এয়া ধাৰণা কৰা যে তেওঁক নবীৰ মৰ্যাদা অৰ্জিত হৈছে। তেওঁ উম্মতী হোৱাৰ কাৰণে হৈছে তেওঁ নিজে নিজে হোৱা নাই অৰ্থাৎ এই দুয়ো সততা বিপৰীত হয়। কাৰণ হজৰত মছীহ (আঃ)ৰ সত্য নবী এয়া যে তেওঁ পৰোক্ষভাৱে হজৰত মহম্মদ (ছাঃ)ৰ অনুসৰণ অবিহনে তেওঁক অৰ্জিত হৈছে। যদি হজৰত ঈছা (আঃ)ক উম্মতী বনোৱা হয় যেনেকুৱা হাদীছত **ইমামুকুম মিনকুম**ৰ ব্যাখ্যা, ইয়াৰ অৰ্থ এয়া হ'ব যে,প্ৰত্যেক ধৰণৰ মৰ্যাদা তেওঁ নবুয়ত মহম্মদীয়াৰ পৰা লাভালাভ হৈছে। এতিয়া আমি ফৰজ কৰি লৈছিলো যে,মৰ্যাদাপ্ৰাপ্ত নবুয়ত তেওঁ নবুয়ত মহম্মদীয়াৰ জ্যোতিৰ পৰা লাভ কৰা নাই আৰু এই ইজতিমা পৰিপন্থী, যি বাতিল হয়। আৰু যদি কোৱা হয় যে,হজৰত ঈছা উম্মতীতো হয়

কিন্তু নবুয়ত মহম্মদীয়াৰ পৰা তেওঁক একোৱেই লাভ নহ'ব তেতিয়া এই ক্ষেত্ৰত উম্মতী হোৱাৰ সততা তেওঁৰ হৃদয়ৰ পৰা নাইকিয়া হৈ যায়। কাৰণ এতিয়া আমি উল্লেখ কৰি আহিছো যে,উম্মতী হোৱাৰ বাহিৰে ইয়াৰ আন কোনো অৰ্থ নাই যে,সকলোবোৰ মৰ্যাদা নিজৰ অনুসৰণৰ মাধ্যমে ৰখা হৈছে যেনেকুৰা কোৰাণ শ্বৰীফত ইয়াৰ বিস্তৃত আছে অৰ্থাৎ এক উম্মতৰ বাবে এই দুৱাৰ মুকলি আছে যে,নিজৰ নবীৰ অনুসৰণৰ ফলত এই মৰ্যাদা প্ৰাপ্ত হয় তেতিয়া এক কৃত্ৰিম বাট অৱলম্বন কৰা আৰু বিপৰীত ইজতিমা স্বীকৃতি ৰখা আহমক হয় সেই ব্যক্তিক কেনেকৈ উম্মতী ক'ব পৰা যাব। যাৰ কোনো মৰ্যাদাপূৰ্ণ অনুসৰণৰ মাধ্যম প্ৰাপ্ত নহয়। এই ঠাইত কিছুমান অজ্ঞসকলৰ এই আপত্তি সমাপ্ত হৈ যায় যে,ঐশ্বৰিক বাণীৰ দাবীক এই প্ৰয়োজনীয়তা হয় যে সেই ওহী নিজৰ মাতৃ ভাষাত যেন হয় আৰবীত যেন নহয় কাৰণ নিজৰ মাতৃ ভাষা সেই ব্যক্তিৰ বাবে প্ৰযোজ্য যিয়ে চিৰস্থায়ী ভাৱে নবুয়ত মহম্মদীয়াৰ জ্যোতিৰ লাভ অবিহনে নবুয়তৰ দাবী কৰে কিন্তু যি ব্যক্তি এজন উম্মতী হিচাপে নবুয়ত মহম্মদীয়াৰ পৰা জ্যোতি প্ৰাপ্ত হৈ নবী হয় তেওঁ ঐশ্বৰিক বাণীত নিজৰ অনুসৰণকাৰীৰ মুখৰ পৰা ওহী প্ৰাপ্ত হয় যাতে অনুসাৰী আৰু অনুসৰণকাৰীৰ মাজত এক নিদৰ্শন হয় যিয়ে সিহঁতৰ পৰস্পৰ সম্পৰ্কৰ যুক্তি হৈ পৰে। পৰিতাপ! হজৰত ঈছাৰ ওপৰত সকলো ফালৰ পৰা মানুহে নিৰ্যাতন কৰিছে। প্ৰথম অভিশপ্ত আপত্তিৰ স্পষ্টিকৰণ নকৰি তেখেতৰ দেহক আকাশত উঠাই লৈছে,যাৰ পৰা মূল আপত্তি ইহুদীসকলৰ সিহঁতৰ মূৰৰ ওপৰত প্ৰতিষ্ঠিত থাকে। দ্বিতীয়তে কয় যে কোৰাণত তেওঁৰ মৃত্যুৰ কথা উল্লেখ নাই। অৰ্থাৎ সিহঁত খোদাৰ কাৰণে এক কাৰণ সৃষ্টি কৰে। তৃতীয় কোনো উদ্দেশ্য অবিহনে তেওঁক আকাশৰ ফালে টানি লয়। যিজন নবীৰ এতিয়া ১২ জন শিষ্যও পৃথিৱীত নাই আৰু প্ৰচাৰ-প্ৰসাৰ পৰিপূৰ্ণহীন, তেওঁক আকাশৰ ফালে টানি লোৱা তেওঁৰ বাবে এক জাহান্নাম হয় কাৰণ তাৰ আত্মা পৰিপূৰ্ণ প্ৰচাৰ কৰিব বিচাৰে আৰু তাৰ পৰিপন্থী তেওঁক আকাশত বহাই লোৱা হৈছে। মই নিজৰ হৃদয় সম্পৰ্কে দেখিবলৈ পাও যে,পৰিপূৰ্ণ কাম অবিহনে যদি মোক জীৱিত আকাশত

উঠাই লোৱা হয় অৰ্থাৎ সপ্তম আকাশত গৈ পাওঁ তথাপি মই আনন্দিত নহওঁ কাৰণ যেতিয়া মোৰ কাম সম্পূৰ্ণ বিহীন হয় তেতিয়া মোৰ কি আনন্দ হ'ব পাৰে; এনেকুৱাই তেওঁকো আকাশত যোৱা কোনো আনন্দৰ বিষয় নহয়। গুপ্ত ভাৱে প্ৰব্ৰজন আছিল যাক অজ্ঞসকলে আকাশ বুলি কৈ দিলে আল্লাহ হিদায়ত কৰক।

والسلام علیٰ من اتبع الھدیٰ

**হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী ২৭ নৱেম্বৰ ১৯০২**